

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৭

মোগলযুগ: সমাজ আৰু সংস্কৃতি

অংশ – ৫ (প্রশ্ন-উত্তৰ)

পৰিনীতা দেৱী

समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

৪। ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখা—

(ক) এজন চিত্রকৰ আৰু সমালোচক হিচাপে জাহাংগীৰে ভাৰতীয় চিত্রকলাৰ কেনেদৰে পৃষ্ঠপোষকতা কৰিছিল?

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মোগল চিত্রশিল্পই চৰম উৎকর্ষ সাধন কৰিছিল জাহাংগীৰৰ শাসনকালত। জাহাংগীৰ নিজে এজন চিত্রপ্রেমী আছিল। কল্পনাৰ পৰিৱর্তে বাস্তৱক প্রাধান্য দিবলৈ তেওঁ চিত্রকৰ সকলক আহ্বান জনাইছিল। জাহাংগীৰৰ দিনত ক্ষুদ্র চিত্রশিল্পইও এক সুকীয়া আসন দখল কৰিছিল। বিখ্যাত চিত্রকৰ মনচুৰ, মুৰাদ, বিষণদাস আদিয়ে জাহাংগীৰৰ ৰাজসভা শুৱনি কৰিছিল।

এওঁৰ দিনত ভাৰতৰ বিভিন্ন প্ৰান্তত বহুতো চিত্ৰশিল্পৰ বিদ্যালয় গঢ় লৈ উঠিছিল।



(খ) মোগলযুগৰ স্থাপত্য, কলা-সংস্কৃতিলৈ ছাহজাহানৰ অৱদান।



সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মোগল যুগৰ ভাৰতত স্থাপত্য শিল্পৰ এক বৃহৎ অংশৰ পৃষ্ঠপোষক আছিল মোগল সম্ৰাট ছাহজাহান। ছাহজাহানৰ শাসন কালত মোগল স্থাপত্য শিল্পৰ বিকাশে চূড়ান্ত শিখৰত আৰোহণ কৰিছিল। তেওঁ সৌন্দৰ্যৰ সাধক আছিল। ছাহজাহানৰ ৰাজত্বকাল কলা- সংস্কৃতিৰ যোগেদি নদন-বদন হৈ পৰিছিল বাবে এই কালছোৱাক মোগল স্থাপত্যৰ 'স্বৰ্ণযুগ' বুলি কোৱা হয়।

সমগ্ৰ শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

কিন্তু স্থাপত্য- ভাস্কর্য নির্মাণত মুক্তহস্তে খৰচ কৰি শেষৰফালে তেওঁ সর্বস্বান্ত হৈ পৰিছিল। ছাহজাহানে নির্মাণ কৰা তাজমহল তেওঁৰ পত্নী প্রেমৰ অমৰ সাক্ষী। ছাহজাহানৰ দিনৰ নির্মাণ কার্যত মার্বলৰ ব্যাপক ব্যৱহাৰ হৈছিল। তাজমহল শুধ বগা মার্বলেৰে নির্মাণ কৰা হৈছিল। ইয়াৰ অপূর্ব কাৰুকার্য, মার্বলৰ মনোমোহা সৌন্দর্য, যমুনাৰ পাৰৰ অপৰূপ দৃশ্য-

এই সকলোবোৰেই তাজমহলক এক অনন্য মাত্রা প্রদান কৰিছে। পৃথিৱীৰ সাতটা আচৰিত বস্তুৰ ভিতৰত তাজমহলো এটা। আগ্রাৰ দুর্গৰ ভিতৰতো ছাহজাহানে বহুত অট্টালিকা সজাইছিল। তাৰ ভিতৰত ম'তি মছজিদ আৰু দেৱান-ই-আম বিখ্যাত আছিল। ছাহজাহানাবাদ নামেৰে সম্পূর্ণ মার্বলৰ কাৰুকার্যৰে তেওঁ এখন অপূর্ব চহৰো নির্মাণ কৰিছিল। ছাহজাহানাবাদত তেওঁ চালে চকু ৰোৱা জুমা মছজিদটো সজাইছিল।

ছাহজাহানে আজমীৰতো ভালেমান স্থাপত্য নির্মাণ কৰি শিল্প প্ৰীতিৰ চিনাকী দিছিল। পৃথিবী বিখ্যাত ময়ুৰ সিংহাসন ছাহজাহানৰ দিনতে সাজি উলিওৱা হৈছিল। দুষ্প্ৰাপ্য হীৰা, মুকুতা, পান্না আদিৰে সু-সজ্জিত সিংহাসনখন দেখাত এখন খাটৰ দৰে আছিল। অৱশ্যে এই সিংহাসন নাদিৰ ছাহে ভাৰত আক্ৰমন কৰি মোগলসকলৰপৰা কাঢ়ি লৈ গৈছিল।

(গ) আকবৰৰ ধৰ্ম নীতিয়ে মোগলযুগক কেনেদৰে প্ৰভাৱিত কৰিছিল?



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ সম্ৰাট আকবৰ এজন গোড়া মুছলমান হ'লেও ধৰ্মৰ ক্ষেত্ৰত তেওঁ এক উদাৰ নীতি গ্ৰহণ কৰিছিল। সেয়েহে পাছলৈ এখন বিশাল সাম্ৰাজ্যৰ অধিপতি হোৱাৰ ক্ষেত্ৰত আকবৰৰ ধৰ্ম নীতিয়ে বিশেষভাৱে অৰিহণা যোগাইছিল। আকবৰে তেওঁৰ ধৰ্মৰ প্ৰতি থকা অনুসন্ধিৎসা দূৰ কৰিবৰ বাবে ইবাদতখানা অৰ্থাৎ প্ৰাৰ্থনা গৃহ সজাইছিল।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

আদিতে এই ইবাদতখানাত সমবেত হোৱা গোড়া মুছলমানসকলক ধর্মৰ বিষয়ে আলোচনা কৰিবলৈ দিয়া হৈছিল। পাছলৈ অন্য ধর্মৰ পণ্ডিতসকলকো ইয়ালৈ নিমন্ত্রণ কৰা হৈছিল। সম্রাট আকবৰে নিজেও এই আলোচনাত যোগ দিছিল। সকলো ধর্মৰ সাৰুৱা কথাবোৰ শুনি আকবৰ মোহিত হৈছিল। সকলো ধর্মৰ মূল কথাবোৰ যে একে সেই কথা তেওঁ উপলব্ধি কৰিছিল।

সেয়েহে সকলো ধর্মৰ মূল কথাবোৰ লৈ তেওঁ এটি নতুন ধর্মমত উলিয়াইছিল। ইয়াকে আমি দীন-ই-ইলাহী বুলি জানো। প্রথম অৱস্থাত এই ধর্মমতৰ নাম আছিল তউহিদ-ই-ইলাহী। আকবৰৰ শাসন ব্যৱস্থাত সকলো ধর্মক সমানে চোৱাৰ নীতিৰে তেওঁ দিন-ই-ইলাহীক প্রয়োগ কৰিছিল। আন ধর্মৰ মানুহকো ধর্মীয় স্বাধীনতা দিয়াতো তেওঁৰ ধর্ম নীতিৰ এক প্রধান বৈশিষ্ট্য আছিল।

(ঘ) মোগলযুগৰ কেইগৰাকীমান উল্লেখযোগ্য মহিলাৰ নাম লিখা।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

উত্তৰঃ মোগলযুগৰ কেইগৰাকীমান উল্লেখযোগ্য মহিলাৰ নাম হ'ল– গুলবেদন বেগম, নুৰজাহান বেগম, জাহানাৰা, ৰৌচনাৰা, মমতাজ মহল, যোধাবাই, মানবাই জগত গোঁসাই ইত্যাদি।

৫। মোগলযুগৰ ভাৰতৰ স্থাপত্যসমূহৰ চিত্ৰ সংগ্ৰহ কৰি এটি এলবাম প্ৰস্তুত কৰা।



৬। তলত দিয়া ছবিবোৰৰ ওপৰত তোমাৰ নিজৰ বহীত দহোটাকৈ বাক্য লিখা —



(ক) কামাখ্যা মন্দিৰ:

উত্তৰঃ কামাখ্যা মন্দিৰ হৈছে অসমৰ গুৱাহাটীত অৱস্থিত হিন্দু ধৰ্মৰ এক প্ৰাচীন মন্দিৰ। গোটেই ভাৰতত ব্যাপ্ত হৈ থকা মুঠ ৫১খন দেৱীপীঠৰ মাজৰ অন্যতম গুৰুত্বপূৰ্ণ পীঠ এই কামাখ্যা মন্দিৰ। নীলাচল পাহাৰত অৱস্থিত কামাখ্যা দেৱীৰ এই মন্দিৰকেই অসমৰ সবাতোকৈ প্ৰসিদ্ধ আৰু প্ৰভাৱশালী মন্দিৰ বুলি ভবা হয়।

(ক) কামাখ্যা মন্দিৰ:

অতি প্ৰাচীন কালৰে পৰাই অসমৰ ইতিহাসৰ ৰাজনৈতিক আৰু ধাৰ্মিক দুয়ো দিশতে শক্তি উপাসনাৰ কেন্দ্ৰস্থল কামাখ্যাই অতিশয় গুৰুত্বপুৰ্ণ প্ৰভাৱ বিস্তাৰ কৰি আহিছে।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(খ) হুমায়ুনৰ সমাধি:

উত্তৰঃ হুমায়ুনৰ সমাধি হ'ল মোগল সম্ৰাট হুমায়ুনৰ সমাধিক্ষেত্ৰ। ১৫৬২ খ্ৰীষ্টাব্দত হুমায়ুনৰ পত্নী হামিদা বানু বেগমে এই সমাধিস্থল নিৰ্মাণ কৰে। এইটোৰ নক্সা প্ৰস্তুত কৰিছিল পাৰ্ছী স্থপতিবিদ মিৰাক মিৰ্জা গিয়াথে। হুমায়ুনৰ সমাধিয়েই হ'ল ভাৰতীয় উপমহাদেশৰ প্ৰথম উদ্যান-সমাধিক্ষেত্ৰ।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা


Under CSR Support by
ipca | Foundation

দিল্লীৰ নিজামুদ্দিন পূৰ্ব অঞ্চলত হুমায়ুনে ১৫৩৩ চনত যি দিনা-পানাহ বা পুৰানা কিল্লা নিৰ্মাণ কৰিছিল, তাৰ নিকটতেই এই সমাধিস্থলটো অৱস্থিত।



(গ) কুটুবমিনাৰ:

উত্তৰঃ কুতুবমিনাৰ দিল্লীত অৱস্থিত। দাস বংশৰ প্রতিষ্ঠাতা কুতুবুদ্দিন আইবাকে প্রখ্যাত কুতুবমিনাৰ সজোৱাৰ কাম আৰম্ভ কৰে। কিন্তু নির্মাণ কার্য শেষ কৰে ইলটুতমিছে।



সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

(ঘ) মুদ্রা:

উত্তৰঃ মুদ্রা বিনিময়ৰ অন্যতম মাধ্যম। বৈদিক যুগত মুদ্রা মৰোৱা প্রথাৰ প্রচলন নাছিল। সৰহভাগ প্রাচীন ভাৰতীয় মুদ্রা ৰূপৰ আছিল। মোগল সম্রাটসকলে ৰূপ, ব্রঞ্জ, তাম আৰু সোণৰ মুদ্রা ব্যৱহাৰ কৰিছিল।

